ধৰ্ম, দৰ্শন আৰু সমাজ
(৩০০ খ্ৰীঃপূঃৰ পৰা ৭৫০ খ্ৰীঃলৈ)
[Religion, Philosophy and Society (300 B.C. – 750 A. D.)]

৪.০১ ঃ ধৰ্ম, বৰ্ণাশ্ৰম, পুৰুষাৰ্থ আৰু সংস্কাৰ (Dharma, Varnashram, Purusharthas and Samskaras) ঃ

ভাৰতীয় সমাজত ধৰ্মৰ স্থান আটাইতকৈ ওপৰত। সাধাৰণ অৰ্থত ধৰ্ম মানে ধৰি ৰখা। 'ধৃ' ধাতুৰ লগত 'মন' প্ৰত্যয় যোগ হৈ 'ধৰ্ম' শব্দটিৰ উৎপত্তি হৈছে। 'ধৰ্ম' শব্দৰ ব্যুৎপত্তিগত অৰ্থ হ'ল যে নিজ স্থানৰ পৰা বিচ্যুত নহ'বৰ বাবে যাক ধাৰণ কৰা হয় সেয়াই ধৰ্ম আৰু 'ধ্ৰিয়তে লোকহনেন, ধৰতি লোকং বা ইতি ধৰ্ম', অৰ্থাৎ জাতি, সম্প্ৰদায়ৰ প্ৰচলিত কৰ্তব্য, আচাৰ-ব্যৱহাৰ ইত্যাদি ধাৰণ কৰা, পালন কৰা আৰু আশ্ৰয় দিয়াই ধৰ্ম। আভিধানিক 'ধৰ্ম' শব্দৰ অৰ্থ— অনুশাসন, ব্যাৱহাৰিক বিধি, কৰ্তব্য, অধিকাৰ, ন্যায় বিচাৰ, নৈতিকতা, সৎগুণ, সৎকৰ্ম আদি চাৰিত্ৰিক বৈশিষ্ট্য। ইয়াৰ উপৰি 'Religion'ৰ অৰ্থও 'ধৰ্ম' হয়। কিন্তু ইংৰাজী 'Religion' শব্দৰ অৰ্থ সমাজত অনেক ব্যাপক। Dr. Radhakrishnanৰ মতে "It stands for the satya or the truth of things as well as the Dharma or the law of evaluation. Every form of life, every group of man has its Dharma, which is the law of its being. Dharma or virtue is in conformity with the things, Adharma or vice is in opposition to it. Moral evil is disharmony with the truth which encompasses and controls the world."।

Scanned with CamScanner

বেদ, পুৰাণ, উপনিষদ, স্মৃতিশাস্ত্ৰসমূহত 'ধৰ্ম' শব্দৰ প্ৰয়োগ ব্যাপক অৰ্থত হৈছে। অথৰ্ব বেদত ধৰ্ম শব্দৰ অৰ্থ হ'ল ধৰ্মীয় ক্ৰিয়া-সংস্কাৰৰ মাধ্যমেৰে অৰ্জিত গুণ। ব্ৰহ্মপুৰাণত 'ধৰ্ম' শব্দৰ অৰ্থ হ'ল— মোক্ষ বা ভগৱৎ প্ৰাপ্তিৰ উপায়। 'ধৰ্ম' শব্দটোৰ সংকীৰ্ণ অৰ্থ— নিজ নিজ সম্প্ৰদায়ৰ নিজ নিজ দেৱতাৰ পূজা অৰ্চনা। আচলতে বৈদিক যুগৰ পৰাই আৰম্ভ হোৱা ভাৰতীয় সভ্যতাৰ ঐতিহ্য পৰম্পৰাত আৰু ব্যাপক অৰ্থত 'ধৰ্ম' শব্দটো ব্যৱহাৰ হৈছে; যেনে— আৰ্যজাতিৰ আচৰণ-বিধি, শাস্ত্ৰৰ অনুশাসন, চাৰিবৰ্ণ আৰু চাৰিআশ্ৰমৰ অন্তৰ্গত পালনীয় কৰ্ম, নিয়ম-নীতি-কৰ্তব্যসমূহ। এই অৰ্থেই গীতাই কৈছে, 'স্ব ধৰ্মে নিধনং শ্ৰেয়, পৰধৰ্মো ভয়াৱহ'; নিজৰ ধৰ্মতকৈ আনৰ ধৰ্ম শ্ৰেষ্ঠ নহয়। মনুসংহিতাত ধৰ্মৰ বিভিন্ন লক্ষণ বৰ্ণনা কৰিছে। প্ৰথমতে— আচৰণেই পৰম ধৰ্ম; দ্বিতীয়তে— বেদ, স্মৃতি, সদাচাৰ আৰু চিত্তৰ প্ৰসন্নতা, এই চাৰিপ্ৰকাৰ ধৰ্মৰ সাধাৰণ লক্ষণ। তৃতীয়তে— ধৈৰ্য, ক্ষমা, দয়া, চিত্তৰ দমন, ন্যায়পথে ধন প্ৰাপ্তি, সংযম, বুদ্ধি, বিদ্যা, সত্য আৰু পৱিত্ৰতা - ধৰ্মৰ দশ লক্ষণ। অহিংসা, সত্য, চুৰ নকৰা, পৱিত্ৰতা, সংযম, ন্যায়, ক্ষমা, দয়া আদিক মানি চলাকে সাধাৰণ লোকে ধৰ্ম বুলি কয়।

ধৰ্মশাস্ত্ৰৰ যুগৰ (৬০০ — ৩০০ খ্ৰীঃপূঃ) পৰা সমাজত আমূল পৰিৱৰ্তন সাধন হয়। সমাজলৈ অহা প্ৰত্যাহ্বানসমূহক চম্ভালিবলৈ ধৰ্মশাস্ত্ৰসমূহে ধৰ্মৰ নতুন ব্যাখ্যা দিবলৈ ধৰিছে। বৌদ্ধায়নে বেদ, স্মৃতি আৰু বিদ্বান ব্যক্তিৰ আচৰণক ধৰ্ম বুলি কৈছে। যাজ্ঞবল্ক্যই আকৌ ধৰ্মৰ ব্যাখ্যা আৰু ব্যাপক বুলি কৈছে। শুদ্ধ কৰ্তব্য সাধনেই হৈছে ধৰ্ম। খং দমন, ন্যায়, ক্ষমাশীল সন্তান প্ৰজনন, সৌহাৰ্দ্য, পক্ষপাতহীন, প্ৰতিপালন আদিৰ ক্ষেত্ৰত কৰ্তব্য পালনেই হৈছে ধৰ্মৰ মূল। সময়ৰ লগত খোজ মিলাই সমাজ সুচাৰুৰূপে পৰিচালনা কৰিবৰ কাৰণে 'বৰ্ণ ধৰ্ম' আৰু ব্যক্তিগত জীৱন পৰিচালনাৰ বাবে 'আশ্ৰম ধৰ্ম'ৰ প্ৰচলন হ'ল। ইয়াৰ উপৰি সকলো বৰ্ণ, ধৰ্ম আৰু আশ্ৰমৰ লোকেই উমৈহতীয়াভাৱে পালন কৰিবলগীয়া ধৰ্মক 'সামান্য ধৰ্ম' বুলি কোৱা হৈছে। গৌতমৰ মতে সামান্য ধৰ্মত সকলো লোকেই ক্ষমা, দয়া, পৱিত্ৰতা, অসৎ কামৰ পৰা আঁতৰি থকা ইত্যাদিবোৰ পালন কৰাৰ কথা কৈছে। ধৰ্মসূত্ৰৰ সামান্য ধৰ্মৰ তত্ত্বক কৌটিল্যৰ অৰ্থশাস্ত্ৰ, ৰামায়ণ আৰু মহাভাৰতেও স্বীকাৰ কৰিছে।

সামান্য ধৰ্মৰ উপৰি ৰাজধৰ্মৰ তত্ত্বও বিকাশ হৈছিল। ৰাজধৰ্মই সমাজত শান্তি আৰু শৃংখলা বজাই ৰখাত সহায় কৰিছিল। কৌটিল্যই শাসকজন ৰাজধৰ্ম

Scanned with CamScanner

পালন কৰিবলৈ বাধ্য হোৱাটো বিচাৰিছিল। ৰাজধৰ্মত প্ৰজাৰ সুখেই ৰজাৰ সুখ বুলি কৈছে। মনুৱে ৰাজধৰ্মৰ লগতে বৰ্ণাশ্ৰম ধৰ্ম পালন কৰাটো আৱশ্যক বুলি উল্লেখ কৰিছে।

বৰ্ণাশ্ৰম ঃ

বৈদিক যুগ শেষ হোৱাৰ অলপ দিন আগলৈকে ঋকবেদৰ সময়ৰ বৰ্ণভেদ নীতিৰ পৰাই আৰ্যসমাজত বৰ্ণাশ্ৰম ধৰ্মৰ সৃষ্টি হৈছিল। প্ৰত্যেক বৰ্ণ (ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ) আৰু জাতিৰ মানুহৰ কাৰণে বেলেগ বেলেগ ধৰ্ম বা জীৱন নিৰ্বাহৰ নিয়ম বান্ধি দিয়া হৈছিল। ইয়াকে 'বৰ্ণাশ্ৰম' ধৰ্ম বোলা হয়। বৈদিক যুগৰ প্ৰথম কালছোৱাত এই নিয়মবোৰৰ আৱশ্যকতা অনুযায়ী সালসলনি কৰা হৈছিল। কিন্তু শেষভাগত এই নিয়মবোৰৰ কোনো পৰিৱৰ্তন কৰিব পৰা নহ'ল। তেতিয়া ভিন ভিন বৰ্ণৰ মাজত বিয়া-বাৰু, খোৱা-লোৱা নিষিদ্ধ আছিল। ব্ৰাহ্মণে কেৱল ব্ৰাহ্মণৰ মাজতহে বিয়া-বাৰু কৰাব পাৰিছিল। খোৱা-লোৱাত আৰু ধৰ্মকাৰ্যত আন বৰ্ণ বা জাতিক লগ লোৱা নহৈছিল। ব্ৰাহ্মণৰ সন্তানসকলে ব্ৰাহ্মণৰ কাৰণে বান্ধি দিয়া ধৰ্মৰ নিয়মবোৰ পালন কৰি নিজৰ জাতিৰ ব্যৱসায় চলাব লাগিছিল। তাকে নকৰিলে ব্ৰাহ্মণ সন্তানসকল জাতি ভ্ৰষ্ট হৈছিল। ক্ষত্ৰিয় বা বৈশ্যসকলে ব্ৰাহ্মণৰ নীতি-নিয়ম পালন কৰিলেই তেওঁলোক ব্ৰাহ্মণ হ'ব নোৱাৰিছিল। ক্ষত্ৰিয়সকল শক্তিশালী আছিল কাৰণেই ব্ৰাহ্মণসকলৰ বশ্যতা স্বীকাৰ কৰিব নুখুজিছিল। শেষত এই চাৰিবৰ্ণ বা জাতিৰ পৰা বহুতো নতুন জাতিৰ সৃষ্টি হৈছিল। ইয়াৰ কাৰণ কৰ্মবিভাগ আৰু অসবৰ্ণ বিবাহ। বৈশ্য আৰু শূদ্ৰৰ মাজৰ ব্যৱধান কমি আহিল। এই ফালৰ পৰা চাবলৈ গ'লে শূদ্ৰসকল বৈশ্যৰ শাৰীলৈ উন্নীত হৈছিল। বৰ্ণাশ্ৰম ধৰ্মত চাৰিবৰ্ণৰ কাৰণে কিছুমান কৰ্ম নিৰ্ধাৰণ কৰি থোৱা হৈছিল; যেনে— ব্ৰাহ্মণসকলে ধৰ্মশাস্ত্ৰ অধ্যয়ন, অধ্যাপনা, যাজন, দান গ্ৰহণ ইত্যাদি। ক্ষত্ৰিয়সকলে ধৰ্মানুসাৰে প্ৰজাপালন, অধ্যয়ন, যজ্ঞানুষ্ঠান আয়োজন কৰা, ৰাজ্য শাসন কৰা, দৰিদ্ৰ আৰু ব্ৰাহ্মণসকলক দান দিয়া আদি কৰিব লগা হৈছিল। বৈশ্যসকলে গোপালন কৰা, কৃষিকাৰ্য কৰা, দম্ভ পৰিত্যাগ কৰা, ব্যৱসায়-বাণিজ্য ইত্যাদি কৰ্ম কৰা আৰু শূদ্ৰসকলে বৰ্ণত্ৰয়েৰ অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যৰ যত্নপূৰ্বক সেৱা-শুশ্ৰূষা কৰিব লাগিছিল। বায়ু, বিষ্ণু প্ৰভৃতি পুৰাণত প্ৰত্যেক ব্যক্তিয়ে নিজ নিজ বৰ্ণ ধৰ্ম পালন কৰিলে পৰমলোক লাভ কৰে বুলি উল্লেখ কৰিছে।

চতুৰাশ্ৰম-ব্যৱস্থা বা আশ্ৰম ধৰ্ম ঃ

প্ৰাচীন ভাৰতীয় সমাজত সুশৃংখল আৰু সুস্থ জীৱন-যাপনৰ বাবে ব্ৰাহ্মণ আদি চাৰিবৰ্ণৰ বাবে চতুৰাশ্ৰম ধৰ্ম নিৰ্ধাৰণ কৰা হৈছিল। আশ্ৰম-ব্যৱস্থাত পালনীয় কৰ্তব্যসমূহক পৱিত্ৰ ধৰ্মীয় কৰ্তব্য বুলি ধৰা হৈছিল। 'আশ্ৰম' শব্দটি 'শ্ৰম' ধাতুৰ পৰা উদ্ভৱ হৈছে, যাৰ অৰ্থ পৰিশ্ৰম কৰা বা প্ৰয়াস কৰা। Dr. P. Prabhu-এ কৈছে—"is a stage of life in which the individual has to train himself for a certain period and exert himself with the circuit of the lame in order to qualify himself for the next."।

প্ৰথমতে ব্ৰহ্মাচৰ্য অৰ্থাৎ অধ্যয়ন আৰু নীতিশিক্ষাৰ কালছোৱাত আৰ্য সন্তানসকলে সংযম আৰু শিক্ষাৰ আচাৰ-নীতি মানি গুৰুগৃহত থাকি বিদ্যা শিক্ষা গ্ৰহণ কৰিব লাগিছিল। শিক্ষা সাং কৰি গুৰুগৃহৰ পৰা ঘৰলৈ উভতি আহি বিয়া-বাৰু কৰাই গাৰ্হস্থ্য অৰ্থাৎ সাংসাৰিক ধৰ্ম পালন কৰিছিল। জীৱনৰ এই কালছোৱাক গাৰ্হস্থ্যাশ্ৰম বোলা হৈছিল। সাংসাৰিক দায়িত্বৰ পৰা অৱসৰ লৈ জীৱনৰ ভাটী বয়সত তপস্বীৰ দৰে অৰণ্যত বাস কৰি ফলমূল আদি খাই ঈশ্বৰ চিন্তাত নিমগ্ন হৈ ধৰ্ম সাধনাত ব্ৰতী থাকিব লাগিছিল। এই সময়ছোৱাক বানপ্ৰস্থাশ্ৰম বুলি কোৱা হয়। বানপ্ৰস্থৰ শেষত মানুহে সাংসাৰিক জীৱনৰ কোনো কামৰ লগত সম্পৰ্ক নাৰাখি মৃত্যুৰ সময়লৈকে একান্ত মনে ঈশ্বৰৰ চিন্তাত নিমগ্ন হ'ব লাগিছিল। সন্ন্যাসীৰ দৰে জীৱন-যাপন কৰা এই সময়ছোৱাক সন্ন্যাসাশ্ৰম বুলি কোৱা হৈছিল। আৰ্যসকলৰ বহুতেই চাৰিআশ্ৰমৰ কৰ্তব্য নিয়াৰিকৈ পালন কৰিব নোৱাৰিছিল। কিন্তু বৰ্ণাশ্ৰম ধৰ্ম আদৰ্শস্বৰূপে আৰ্যসমাজত চলি আছিল আৰু বৰ্তমান যুগলৈকে উক্ত আদৰ্শৰ প্ৰভাৱ ভাৰতীয় মানুহৰ জীৱনত সন্নিৱিষ্ট হৈ আছে।

ভাগৱত পুৰাণত চাৰিআশ্ৰমৰ উদ্ভৱ সম্পৰ্কে কোৱা হৈছে যে বিৰাট পুৰুষৰ হৃদয়ৰ পৰা ব্ৰহ্মাচৰ্য আশ্ৰম, উৰুৰ পৰা গাৰ্হস্থ্যাশ্ৰম, বক্ষস্থলৰ পৰা বানপ্ৰস্থাশ্ৰম আৰু মস্তকৰ পৰা সন্ন্যাসশ্ৰমৰ উৎপত্তি। আশ্ৰম ধৰ্মৰ প্ৰথম ব্ৰহ্মাচৰ্য আশ্ৰমত গুৰুসেৱা তথা বিদ্যাভ্যাসৰ দ্বাৰা পালন কৰা হয়। গৃহস্থাশ্ৰমত পূৰ্ব আশ্ৰমৰ প্ৰবৃত্তিৰ শিক্ষা এই আশ্ৰমত চৰিতাৰ্থ লাভ কৰে। বানপ্ৰস্থ আশ্ৰমত নিবৃত্তি ধৰ্মৰ পালন কিভাৱে কৰা হয় তাৰ শিক্ষা দিয়া হয় আৰু তপস্যাৰূপী অগ্নিত শৰীৰ, মন, বুদ্ধি আদিক পবিত্ৰ কৰা হয়। সন্ন্যাসাশ্ৰমত নিবৃত্তি ধৰ্মৰ অভ্যাসৰ দ্বাৰা, অৰ্থাৎ জ্ঞানদৃষ্টিৰ দ্বাৰা আত্মদৰ্শন লাভ কৰা হয়। এইদৰে চাৰিআশ্ৰম-ব্যৱস্থাৰ দ্বাৰা ইন্দ্ৰিয় সংযমপূৰ্বক আসুৰি বৃত্তি

Scanned with CamScanner

লাহে লাহে লোপ পায় আৰু দৈৱবৃত্তি বৃদ্ধি পায়। ফলত জীৱই কামৰ পৰা অৰ্থ, অৰ্থৰ পৰা ধৰ্ম আৰু ধৰ্মৰ পৰা মোক্ষৰ দিশলৈ গতি কৰে।

পুৰুষাৰ্থ ঃ

পুৰুষাৰ্থৰ ধাৰণাটো আশ্ৰম ব্যৱস্থাৰ লগতে জড়িত। মানুহৰ সকলো কৰ্মৰে আদিধৰ্ম আৰু লক্ষ্য হ'ল মোক্ষ। প্ৰাচীন কালৰ পৰাই ধৰ্মৰ লগত মানৱ জীৱন অংগাংগিভাৱে জড়িত। প্ৰায় সকলো দাৰ্শনিকেই ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ— এই চতুৰ্বৰ্গক পুৰুষাৰ্থ লাভৰ উপায় বুলি কৈছে। ভাগৱত গীতাত ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ— এই চাৰিপুৰুষাৰ্থ বা পৰম কাম্যবস্তুৰ কথা উল্লেখ আছে। মানৱ জীৱনত মোক্ষ প্ৰাপ্তিৰ কাৰণে এই চাৰিটা বস্তুৰ আৱশ্যক বা পুৰুষ জীৱন সাৰ্থক কৰিবলৈ এই চাৰিবস্তুৰ আৱশ্যক। ইয়াত ধৰ্ম বুলি কওঁতে সদ্‌গুণ, ধৰ্ম আচৰণ, অৰ্থ হ'ল সম্পদ, মানৱ জীৱন সুখেৰে অতিবাহিত কৰিবলৈ যি বস্তুৰ আৱশ্যক সি অৰ্থ, কাম হ'ল ইন্দ্ৰিয়সুখ আৰু সন্তান জন্ম দিয়া আৰু মোক্ষ হ'ল আত্মোপলব্ধিৰে ভগৱান প্ৰাপ্তি। এই চাৰিটাৰ মাজত ধৰ্ম, অৰ্থ আৰু কাম, এই তিনিটা— ঐহিক, পাৰ্থিৱ সুখ আৰু মোক্ষ হ'ল পৰমাৰ্থ বা পৰমপুৰুষৰ আশ্ৰয় লাভ। জীৱৰ মূল্য বা পুৰুষাৰ্থই ইষ্ট বা কাম্যবস্তু।

সংস্কাৰ ঃ

ভাৰতীয় সমাজ-ব্যৱস্থাত বেদ, পুৰাণ আৰু ধৰ্মশাস্ত্ৰত বৰ্ণিত সংস্কাৰৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ আছে। মানৱ জীৱনত জন্মৰ পৰা মৃত্যু পৰ্যন্ত কিছুমান সংস্কাৰৰ দ্বাৰা পূৰ্ণতাপ্ৰাপ্তি ঘটে। সংস্কাৰ কথাটোৰ অৰ্থ হ'ল— আত্মাক অন্তঃকৰণেৰে পবিত্ৰ কৰা, ব্যক্তি সত্তাক প্ৰকাশিত কৰা, সংস্কৃতিৱান কৰি উপযুক্ত কৰি তোলা। সংস্কাৰৰ উদ্দেশ্য হ'ল কোনো ব্যক্তিৰ সম্পূৰ্ণ ব্যক্তিত্ব বিকশিত কৰি তেওঁক সম্পূৰ্ণ মানুহত পৰিণত কৰা। ব্যক্তিয়ে গুণ আহৰণৰ বা দোষ নিবাৰণৰ কাৰণে যি কৰ্ম কৰে তাকে সংস্কাৰ বোলে। পণ্ডিতসকলৰ মাজত সংস্কাৰৰ সংখ্যা লৈ মতভেদ আছে। মনুসংহিতাত মনুৱে গৰ্ভধাৰণৰ পৰা আৰম্ভ কৰি মৃত্যুপৰ্যন্ত তেৰটা সংস্কাৰৰ কথা উল্লেখ কৰিছে। ব্যাসস্মৃতিত ১৬ টা সংস্কাৰৰ উল্লেখ কৰিছে; সেইসমূহ হ'ল— (ক) গৰ্ভধান, (খ) পুংসৱন, (গ) সীমান্তোনয়ন, (ঘ) জাতকৰ্ম, (ঙ) নামকৰণ, (চ) নিষ্ক্ৰমন, (ছ) অন্নপ্ৰাশন, (জ) চুড়াকৰণ, (ঝ) কৰ্ণভেদ, (ঞ) বিদ্যাৰম্ভ, (ট) উপনয়ন, (ঠ) বেদাৰম্ভ, (ড) কেশান্ত, (ঢ) সমাবৰ্তন, (ণ) বিবাহ আৰু (ত) অন্ত্যেষ্টি। কোনো

Scanned with CamScanner

কোনোৰ মতে সংস্কাৰ দহবিধ। 'জন্মনা ব্ৰাহ্মণো জ্ঞেয়ঃ সংস্কাৰৈদ্বিজ উচ্যতে' (অত্ৰিসংহিতা)। ব্ৰাহ্মণ বংশত জন্ম হ'লেই ব্ৰাহ্মণ বোলা হয় আৰু সংস্কাৰৰ দ্বাৰা দ্বিজত্ব লাভ কৰে। ওপৰত উল্লেখ কৰি অহা সংস্কাৰসমূহক আকৌ চাৰিটা ভাগত ভাগ কৰিব পাৰি; যেনে— (ক) গৰ্ভ সংস্কাৰ, (খ) শৈশৱ সংস্কাৰ, (গ) কৈশোৰ সংস্কাৰ আৰু (ঘ) যৌৱন সংস্কাৰ। গৰ্ভধান, পুংসৱন আৰু সীমান্তোনয়ন এই তিনিটা গৰ্ভসংস্কাৰ; জাতকৰ্ম, নামকৰণ আৰু অন্নপ্ৰাশন শৈশৱ সংস্কাৰ; চূড়াকৰণ, উপনয়ন আৰু সমাৱৰ্তন কৈশোৰ সংস্কাৰ, আৰু বিবাহক যৌৱন সংস্কাৰ বোলে। কোনো কোনোৰ মতে সমাৱৰ্তন পৃথক সংস্কাৰ নহয়, ই উপনয়নৰেই এটা ভাগ, আকৌ কোনোৰ মতে নিষ্ক্ৰমন পৃথক সংস্কাৰ কোনোবাই দশসংস্কাৰৰ উপৰি অধিক সংস্কাৰ মানি কৰ্ণভেদ, কেশান্ত আদিও সামৰি লয়। যিয়েই নহওক সংস্কাৰৰ সংখ্যা লৈ মতভেদ থাকিলেও আমাৰ সমাজত সৰ্বসাধাৰণতে দশসংস্কাৰ পালন কৰাত বেছি গুৰুত্ব দিয়া হয়।

(ক) গৰ্ভধান ঃ এই সংস্কাৰৰ উদ্দেশ্য সৎগুণৰ উৎকৰ্ষ সাধন। সেই মহৎ উদ্দেশ্য সাধনৰ অভিপ্ৰায়েই এই প্ৰজনন কৰ্ম বা গৰ্ভধান সংস্কাৰ কৰা হয়। মনুসংহিতাত উল্লেখ কৰিছে যে স্ত্ৰীৰ ঋতুকালৰ পৰা তিনিদিন বাদ দি অৰ্থাৎ চতুৰ্থ ৰাত্ৰিৰ পৰা যোড়শ ৰাত্ৰিৰ ভিতৰত গৰ্ভধান সংস্কাৰৰ বাবে উপযুক্ত সময়। মনুৱে আৰু উল্লেখ কৰিছে যে ৰাত্ৰিৰ সংখ্যা অনুসাৰে লিংগ নিশ্চিত হৈ থাকে।

(খ) পুংসৱন ঃ পুংসৱন শব্দই পুত্ৰ সন্তানৰ উৎপত্তি বুজায়। গৰ্ভধানৰ তৃতীয় মাহৰ দহ দিনৰ ভিতৰত এই সংস্কাৰ কৰা হয়। এই সংস্কাৰৰ দিনা গৰ্ভৱতী স্ত্ৰীক উপবাসে ৰাখি স্নান কৰাই নতুন বস্ত্ৰ পৰিধান কৰাই মন্ত্ৰপাঠ কৰি পুত্ৰ সন্তান কামনা কৰা হয়।

(গ) সীমান্তোনয়ন ঃ গৰ্ভসংস্কাৰৰ তৃতীয় সংস্কাৰ হ'ল সীমান্তোনয়ন। এই সংস্কাৰ গৰ্ভধানৰ পৰা ছয় বা অষ্টম মাহত কৰা হয়। ইয়াৰ দ্বাৰা সন্তানৰ সু-স্বাস্থ্য আৰু মানসিক বিকাশৰ বাবে প্ৰাৰ্থনা কৰা হয়। মাতৃগৰাকীক সকলোধৰণৰ মানসিক চিন্তাৰ পৰা দূৰত ৰাখি আনন্দমনেৰে সন্তানৰ বিকাশৰ বাবে কাম কৰিবলৈ উপদেশ দিয়া হয়।

(ঘ) জাতকৰ্ম ঃ সন্তান ভূমিষ্ঠ হোৱা মাত্ৰেই এই সংস্কাৰ কৰা হয়। নাড়ী কটাৰ পূৰ্বেই নৱজাতক সন্তানৰ মুখত সোণৰ চামুচ মধু, ঘিঁ অথবা অনামিকা আঙুলিৰে

Scanned with CamScanner

মধু, ঘিঁ দিয়া হয়। কাৰণ স্বৰ্ণ ত্ৰিদোষ নাশক, মধু কফ নিঃসাৰক আৰু ঘিঁ পিত্তনাশক। এই তিনিটাৰ সংমিশ্ৰণত সন্তানৰ আয়ু, ৰূপ-লাৱণ্য আৰু মেধাশক্তি বৃদ্ধি হয় বুলি বিশ্বাস কৰা হয়।

(ঙ) নামকৰণ ঃ বিষ্ণুপুৰাণত সন্তান জন্মৰ দহ দিনৰ দিনা নামকৰণ সংস্কাৰ পালনৰ কথা কোৱা হৈছে। এইদিনা সন্তানক এটা সুন্দৰ নাম দি মতা আৰম্ভ কৰা হয়।

(চ) অন্নপ্ৰাশন ঃ পুত্ৰৰ ষষ্ঠ বা অষ্টম মাহত আৰু কন্যাৰ পঞ্চম বা সপ্তম মাহত এই সংস্কাৰ কৰা হয়। ই সন্তানৰ জীৱন বৃদ্ধি আৰু মংগলকাৰী সংস্কাৰ যাৰ দ্বাৰা শাৰীৰিক আৱশ্যকতা পূৰণ হয়। এই অনুষ্ঠানত শুভমুহূৰ্ত চাই দেৱতাদিৰ পূজা-অৰ্চনা কৰি সোণ বা ৰূপৰ চামুচেৰে পিতা-মাতাই পবিত্ৰ পুষ্টিকাৰক অন্নৰ পায়স সন্তানক ভোজন কৰায়।

(ছ) চূড়াকৰণ ঃ ই আচলতে মস্তক মুণ্ডন সংস্কাৰ। এই সংস্কাৰৰ দ্বাৰা সন্তানৰ জন্মতে অহা কেশ খুৰাই সন্তানৰ সু-স্বাস্থ্য, সৌভাগ্য, ঐশ্বৰ্য আৰু দীৰ্ঘায়ু কামনা কৰা হয়।

(জ) উপনয়ন ঃ এই কৰ্মৰ দ্বাৰা বেদ অধ্যয়নৰ বাবে বালকক গুৰুৰ ওচৰলৈ নিয়া হয়। ইয়াৰ নাম উপনয়ন। এই সংস্কাৰ ব্ৰাহ্মণৰ দ্বিতীয় জন্ম, তাকে দ্বিজ বোলা হয়। এই উপনয়ন ব্ৰাহ্মণৰ বাবে জন্মৰ পৰা অষ্টম বৰ্ষত, ক্ষত্ৰিয়ৰ দহবছৰ তিনিমাহ আৰু বৈশ্যৰ এঘাৰবছৰ তিনিমাহত কৰিব লাগে। উপনয়ন সংস্কাৰত যজ্ঞোপবীত ধাৰণ এক গুৰুত্বপূৰ্ণ অংগ।

(ঝ) সমাৱৰ্তন ঃ গুৰুগৃহত থাকি শিক্ষা সমাপ্তৰ অন্তত গুৰুৰ আদেশত গৃহলৈ প্ৰত্যৰ্পণ কৰি গাৰ্হস্থ্য ধৰ্ম পালন কৰে। এই সংস্কাৰ বালকৰ ব্ৰহ্মাচৰ্য আশ্ৰমৰ সমাপ্তিৰ সূচক।

(ঞ) বিবাহ ঃ হিন্দু সংস্কাৰ তথা সমগ্ৰ জাতিৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ সংস্কাৰ হ'ল বিবাহ। এই সংস্কাৰৰ লগে লগে ব্যক্তি এজনে গৃহস্থীধৰ্মত প্ৰৱেশ কৰে। এই সংস্কাৰৰ মুখ্য উদ্দেশ্য হ'ল সন্তান লাভ আৰু যাৰ দ্বাৰা পিতৃঋণৰ পৰা মুক্তিলাভ হয়।

ওপৰত আলোচনা কৰি অহা সংস্কাৰকেইটাৰ উপৰি মৃতদেহ অৰ্থাৎ শৱদেহৰ অন্ত্যেষ্টি ক্ৰিয়াও অনেকে এটি সংস্কাৰ বুলি ধৰে। এই সংস্কাৰ পিতৃমেধ, অন্ত্যকৰ্ম, দাহকৰ্ম, শ্মশান কৰ্ম ইত্যাদি নামে পৰিচিত।

Scanned with CamScanner